NRC
NATIONAL REGISTER OF CITIZENS

শ্ৰদ্ধেয় ৰাইজ,

আপোনালোকৰ জ্ঞাতাৰ্থে জনাওঁ যে, সমগ্ৰ দেশৰ ভিতৰত অসমতে প্ৰথমে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী (**এন আৰ চি**) অদ্যাৰধিকৰণৰ কাম আৰম্ভ হৈছে। ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী ১৯৫৫ চনৰ নাগৰিকত্ব আইন আৰু ২০০৩ চনৰ নাগৰিকত্ব বিধিৰ ব্যৱস্থাৱলীৰ আধাৰত অদ্যাৰধিকৰণ কৰা হ'ব।

১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী বা ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)ৰ আগতে চৰকাৰে প্ৰকাশ কৰা ভোটাৰ তালিকাক একেলগে '**লিগেচি ডাটা**' নামেৰে নামকৰণ কৰা হৈছে। লিগেচি ডাটাত নাম থকা সকলো জীৱিত নাগৰিকৰে পৰিচয় প্ৰমাণিত হোৱা সাপেক্ষে **এন আৰ চি**ত নাম অন্তৰ্ভূক্ত হ'ব। লিগেচি ডাটাত নাম নথকা সকলৰ ক্ষেত্ৰত নাম থকা উপৰিপুৰুষৰ লগত সম্পৰ্কৰ যোগসূত্ৰ স্থাপন হ'লে নাইবা ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)ৰ আগতে অসমত থকা বাসস্থানত বসবাস কৰাটো সাব্যস্ত হ'লে অনুমোদিত ১২ টা নথিৰ ভিত্তিত নাম অন্তৰ্ভূক্ত হ'ব। নাগৰিকসকলে নিজৰ পৰিচয়সূচক নথিও দাখিল কৰিব লাগিব।

**অনুমোদিত ১২টা নথি হৈছে -**

**১। মাটিবাৰী/ৰায়তী মাটিৰ স্বত্বৰ নথি**
**২। স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ**
**৩। নাগৰিকত্বৰ প্ৰমাণপত্ৰ**
**৪। শৰণাৰ্থী পঞ্জীয়ন প্ৰমাণপত্ৰ**
**৫। পাৰপত্ৰ (পাছপোৰ্ট)**
**৬। এল আই চি পলিচি**
**৭। চৰকাৰী অনুজ্ঞাপত্ৰ/প্ৰমাণপত্ৰ**
**৮। চৰকাৰী/ৰাজহুৱা খণ্ডৰ নিযুক্তি, চাকৰিৰ প্ৰমাণপত্ৰ**
**৯। বেংক, ডাকঘৰৰ হিচাবৰ নথি**
**১০। জন্মৰ প্ৰমাণপত্ৰ**
**১১। বোৰ্ড বা বিশ্ববিদ্যালয়ৰ শৈক্ষিক প্ৰমাণপত্ৰ**
**১২। আদালতৰ প্ৰক্ৰিয়া/নথি**

*অৱশ্যে এই সকলোবোৰ নথি ১৯৭১ চনৰ ২৪ মাৰ্চ (মাজনিশা)ৰ আগতে প্ৰদান কৰা হ'ব লাগিব।*

অনতিপলমে, স্থানীয় এন আৰ চি সেৱা কেন্দ্ৰ (এন এছ কে)ত আৰু নিকটৱৰ্তী অধিসূচিত ভৱন (Nearest Notified Building) ত চৰকাৰৰ দ্বাৰা জনসাধাৰণৰ পৰিদৰ্শনৰ বাবে প্ৰকাশিত 'লিগেচি ডাটা' পৰীক্ষা কৰি নিজৰ নিজৰ প্ৰয়োজনীয় তথ্য সমূহ গোটাই লবলৈ আপোনালোকক অনুৰোধ জনোৱাঁ হ'ল। আপোনাৰ এলেকাৰ এন আৰ চি সেৱা কেন্দ্ৰ সমূহৰ ঠিকনা হ'ল ... ........................................................ আৰু নিকটৱৰ্তী অধিসূচিত ভৱনসমূহৰ ঠিকনা হ'ল ........................................................ .............। আপোনাৰ ওচৰৰ এন আৰ চি সেৱা কেন্দ্ৰ (এন এছ কে)ৰ তত্বাৱধানত আবেদনপত্ৰ ঘৰে ঘৰে বিতৰণ কৰা হ'ব। আবেদনপত্ৰৰ লগত আবেদন কেনেকৈ পূৰাব লাগে তাৰ নিৰ্দ্দেশনা থাকিব। এন আৰ চি সেৱা কেন্দ্ৰ নাইবা টোল ফ্ৰী হেল্পলাইন নম্বৰ ১৫১০৭ নাইবা এন আৰ চি ৱেবচাইট nrcassam.nic.inৰ মাধ্যমেদি বিশদ তথ্য/সহায় লাভ কৰিব পাৰিব। আপোনাৰ এলেকাত অনুষ্ঠিত হৈ থকা গাওঁসভা, দলীয় আলোচনা আদিত অংশ লৈও আৱশ্যকীয় তথ্য জানিব পাৰিব।

মনত ৰাখিব আপোনাৰ, আপোনাৰ সতি-সন্ততি আৰু দেশৰ শান্তি, প্ৰগতি আৰু সুৰক্ষাৰ বাবে ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী এক অৰ্থবহ আৰু গুৰুত্বপূৰ্ণ নথি হ'ব। নাগৰিক পঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে আবেদন জনোৱাটো বাধ্যতামূলক। আপোনালোকৰ আন্তৰিক সহযোগিতা হ'লেহে অসমৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী অদ্যাৰধিকৰণ কৰা সম্ভৱ হ'ব।

আহক, যোগ্য নাগৰিক হিচাবে নাগৰিক পঞ্জীত নাম অন্তৰ্ভূক্ত কৰি অসমৰ ইতিহাসত এক নতুন অধ্যায়ৰ সূচনা কৰক।

ধন্যবাদ